# Joint Press Release of the 12th meeting of the India-Australia Joint Working Group on Counter-Terrorism

December 17, 2020

---

# সন্ত্ৰাসবাদ-বিৰোধীতাৰ ওপৰত ভাৰত- অষ্ট্ৰেলিয়া যুটীয়া কৰ্ম গোটৰ 12তম বৈঠকৰ যুটীয়া সংবাদ বিবৃতি

ডিচেম্বৰ 17, 2020

সন্ত্ৰাসবাদ-বিৰোধীতাৰ ওপৰত ভাৰত- অষ্ট্ৰেলিয়া যুটীয়া কৰ্ম গোটৰ 12তম বৈঠক ভাৰচ্যুৱেল ধৰণে 17 ডিচেম্বৰ, 2020 তাৰিখে অনুষ্ঠিত কৰা হয়। দুইখন দেশৰ মাজত অব্যাহত সন্ত্ৰাসবাদ বিৰোধিতা সহযোগিতাৰ আলোচনা কৰিবলৈ ভাৰত বিদেশ বিষয়ক মন্ত্ৰালয় সন্ত্ৰাসবাদ বিৰোধৰ যুটীয়া সচিব, মিঃ মহাবীৰ সিংভিয়ে ভাৰতীয় প্ৰতিনিধিত্বৰ নেতৃত্ব কৰে আৰু আনহাতে অষ্ট্ৰেলিয়াৰ নেতৃত্ব কৰে বিদেশ বিষয়ক আৰু বাণিজ্য বিভাগৰ মানৱতা আৰু দূতাবাস গোটৰ আন্তঃৰাষ্ট্ৰীয় সুৰক্ষাৰ উপ সচিন, মিঃ টনি শিহানে।

দুয়ো পক্ষই সন্ত্ৰাসবাদ বিৰোধিতা কৰাৰ বাবে সহযোগ আৰু সংযোগৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি উল্লেখ কৰে, যি প্ৰধান মন্ত্ৰী মোডী আৰু প্ৰধান মন্ত্ৰী ম'ৰিচনে 4 জুন 2020 তাৰিখে অনুষ্ঠিত হোৱা নেতাসকলৰ ভাৰচ্যুৱেল সন্মিলনত তৈয়াৰ কৰা ভাৰত আৰু অষ্ট্ৰেলিয়াৰ এক বিস্তৃত কৌশলগত আংশীদাৰীত্বৰ যুটীয়া ভাষ্যত উল্লেখ আছে।

ভাৰত আৰু অষ্ট্ৰেলিয়াই সন্ত্ৰাসবাদৰ কঠোৰ নিন্দা কৰে ইয়াৰ সকলো প্ৰকাৰ আৰু ধৰণত আৰু এক বিস্তৃত আৰু স্থায়ী ধৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগীতাৰ প্ৰয়োজনত জোৰ দিয়ে। দুয়ো পক্ষই সীমান্ত পাৰৰ সন্ত্ৰাসবাদৰ বাবে সন্ত্ৰাসবাদী প্ৰতিনিধিৰ ব্যৱহাৰৰ নিন্দা কৰে।

দুয়ো পক্ষই ৰাষ্ট্ৰসংঘ-অনুমোদিত সন্ত্ৰাসবাদী সত্তাই প্ৰদান কৰা ভাবুকি নিৰীক্ষণ কৰে আৰু সকলো সন্ত্ৰাসবাদী নেটৱৰ্কৰ বিৰুদ্ধে একত্ৰিত কাৰ্য কৰাৰ প্ৰয়োজনৰ ওপৰত জোৰ দিয়ে। দুয়ো পক্ষই সন্ত্ৰাবাদৰ সৈতে যুঁজ কৰিবলৈ সন্ত্ৰাসবাদী ব্যক্তি আৰু সত্তাক এক উপকৰণ হিচাপে নিৰ্বাসন কৰাৰ ওপৰত ভাৱ বিনিময় কৰে।

ভাৰত আৰু অষ্ট্ৰেলিয়াই সকলো দেশে তাৎক্ষণিক, স্থায়ী, প্ৰমাণিত আৰু অপৰিৱৰ্তনীয় কাৰ্য কৰাৰ গুৰুত্ব উল্লেখ কৰে যাতে কোনো অঞ্চল তেওঁলোকৰ নিয়ন্ত্ৰণত নাথাকে আৰু এনে আক্ৰমণৰ অপৰাধীসকলক দ্ৰুতভাৱে বিচাৰ কৰিব পৰা যায়। অষ্ট্ৰেলিয়াই পুনৰ ভাৰতৰ ওপৰত হোৱা আক্ৰমণৰ নিন্দা কৰে, 26/11 মুম্বাই, পাথানকোট আৰু পুলৱামা উল্লেখ কৰি আৰু ভাৰত চৰকাৰ আৰু ইয়াৰ জনগণলৈ নিজৰ সমৰ্থন পুনৰ নিশ্চিত কৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে এই যুঁজত।

ভাৰত আৰু অষ্ট্ৰেলিয়াই ভাৱ বিনিময় কৰে সন্ত্ৰাসবাদ বিৰোধিতাৰ বৃত্তৰ বিভিন্ন ক্ষেত্ৰৰ সহযোগিতাৰ ওপৰত যাৰ ভিতৰত থাকে উগ্ৰবাদ আৰু হিংসাত্মক চৰমপন্থাৰ বিৰোধিতা কৰা, সন্ত্ৰাসবাদৰ অৰ্থায়নৰ সৈতে যুঁজ কৰা, সন্ত্ৰাসবাদ আৰু হিংসাত্মক উগ্ৰবাদৰ বাবে ইন্টাৰনেটৰ শোষণ অৱৰোধ কৰা, আইন বলবৎ কৰাত সহযোগিতা, তথ্য বিনিময়, আৰু ক্ষমতা নিৰ্মাণ। আলোচনাত সন্ত্ৰাসবাদৰ বিৰোধিতা কৰাত কোভিড-19 মহামাৰীয়ে উত্থাপন কৰা প্ৰত্যাহ্বানবোৰৰো কথা অৱগত কৰা হয়।

দুয়ো পক্ষই প্ৰতিশ্ৰুতি দিয়ে একেলগে কাম কৰাৰ এই প্ৰত্যাহ্বানসমূহৰ বিৰুদ্ধে যুঁজিবলৈ আৰু নিজ নিজ প্ৰতিৰূপ এজেন্সিসমূহৰ মাজত যোগাযোগ গভীৰ কৰাৰ উপায় আলোচনা কৰে সন্ত্ৰাসবাদ বিৰোধিতাৰ ক্ষেত্ৰত সংযোগ, সহযোগিতা আৰু তথ্য বিনিময় উন্নত কৰাৰ বাবে।

দুয়ো পক্ষই ৰাষ্ট্ৰসংঘ, জি-20, জি চি টি এফ, এ আৰ এফ, আই অ' আৰ এ আৰু এফ এ টি এফৰ দৰে বহুপক্ষীয় মঞ্চত সন্ত্ৰাসবাদ বিৰোধিতাৰ সহযোগিতা আলোচনা কৰে আৰু লগে অষ্ট্ৰেলিয়া-ভাৰত-জাপান-মাৰ্কিন যুক্তৰাষ্ট্ৰ আলোচনাত সহযোগিতা আৰু এই সহযোগ অধিক উন্নত কৰাৰ উপায় বিবেচনা কৰে।

**নতুন দিল্লী**
**ডিচেম্বৰ 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.